জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ৫৭৫/২০২০

## সদৌ অসম বেংগলী যুৱ-ছাত্ৰ ফেডাৰেশ্যন আৰু সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

### অসম-মেঘালয় সীমান্তৱৰ্তী লাম্পিৰ সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৯ আগষ্ট ঃ** সদৌ অসম বেংগলী যুৱ-ছাত্ৰ ফেডাৰেশ্যন আৰু সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ দুটা প্ৰতিনিধি দলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত সাক্ষাৎ কৰি বিভিন্ন দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰে। দুয়োটা প্ৰতিনিধি দলে মুখ্যমন্ত্ৰী সোণোৱালৰ সৈতে পৃথকে বৈঠকতো মিলিত হয়।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে বৰাক-ব্ৰহ্মপুত্ৰৰ অসমীয়া বেংগলীসকলৰ সুৰক্ষা নিশ্চিত কৰিবলৈ নিষ্ঠাৰে পদক্ষেপ লৈছে। বৰ্তমানৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালত অসমীয়া বেংগলী লোকসকল সম্পূৰ্ণৰূপে সুৰক্ষিত। আগন্তুক দুৰ্গাপূজাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে পূজা আয়োজনৰ ক্ষেত্ৰত সামাজিক ব্যৱধানৰ নীতি মালি চলি পূজা কমিটিসমূহক পূজা আয়োজন কৰিবলৈ অনুমতি প্ৰদান কৰিব। ক্ষুদ্ৰ ব্যৱসায়ীসকলে সন্মুখীন হোৱা জটিলতা দূৰীকৰণৰ দিশতো ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

বেংগলী যুৱ-ছাত্ৰ ফেডাৰেশ্যনৰ প্ৰতিনিধিসকলে মুখ্যমন্ত্ৰী সোণোৱালৰ নেতৃত্বত ৰাজ্যৰ হিন্দু বেংগলীসকলে সন্মুখীন হৈ সমস্যাসমূহ সমাধান হ'ব বুলি আশা প্ৰকাশ কৰে। বৃহত্তৰ অসমীয়া জাতি-গঠন প্ৰক্ৰিয়াত হিন্দু বেংগলীসকল নিষ্ঠাৰে জড়িত হৈ আছে বুলি উল্লেখ কৰি প্ৰতিনিধিবৰ্গই 'ডি' ভোটাৰসকলক জাননী জাৰি কৰাকে ধৰি ডিটেনশ্যন কেম্পত থকা হিন্দু বেংগলীসকলক মুকলি কৰি দিয়া, হিন্দু বেংগলীসকলৰ বাবে চেটেলাইট কাউন্সিল গঠন কৰা আদি বিভিন্ন দাবী উত্থাপন কৰে।

আনহাতে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰতিনিধিবৰ্গই মুখ্যমন্ত্ৰী সোণোৱালক স্মাৰক পত্ৰ দাখিল কৰি গোৰ্খাসকলৰ বাবে স্বায়ত্তশাসিত পৰিষদকে ধৰি গোৰ্খাসকলে ভূমি আবন্টন তথা জাতিগত প্ৰমাণ পত্ৰ লাভৰ ক্ষেত্ৰত সন্মুখীন হৈ অহা সমস্যা আদিৰ বিষয়ে উল্লেখ কৰে। তদুপৰি অসম-মেঘালয় সীমান্তৱৰ্তী লাম্পিত বসবাস কৰা গোৰ্খাসকলৰ উন্নয়নৰ দিশতো প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ প্ৰতিনিধি দলোটোৱে মুখ্যমন্ত্ৰীক অনুৰোধ জনায়।

মুখ্যমন্ত্ৰী সোণোৱালে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলটোক জনায় যে ৰাজ্য চৰকাৰে প্ৰস্তাৱিত গোৰ্খা স্বায়ত্ত শাসিত পৰিষদখনক শীঘ্ৰে কাৰ্যকৰী ৰূপ প্ৰদান কৰিব। তদুপৰি অসম-মেঘালয় সীমান্তৱৰ্তী লাম্পিৰ সংক্ৰান্ততো ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ ল'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

দুয়োখন বৈঠকতে সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, আৰক্ষী মহাপৰিদৰ্শক হীৰেন নাথ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথু, ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াৰ লগতে সংগঠন দুটাৰ প্ৰতিনিধি বৰ্গও উপস্থিত থাকে।

বীঃগঃ
২৯/০৮/২০২০